# আনন্দৰাম ঢেকিয়াল ফুকন আৰু ঊনবিংশ শতিকাৰ ঔপনিৱেশিক জগত

## ড° ৰাজেন শইকীয়া

আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু কৰ্মৰ বিষয়ে আমি প্ৰায় সকলো কথা জানিব পাৰিছোঁ গুণাভিৰাম বৰুৱাৰ *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ* নামৰ গ্ৰন্থৰ পৰা। কোৱা হয়, হিমালয়ৰ আধাৰতহে গৌৰীশংকৰৰ অৱস্থান সম্ভৱ হৈছে। ব্যক্তিৰো আধাৰ থাকে। আনন্দৰামৰ আধাৰ কি আছিল? আনন্দৰামৰ আধাৰ আছিল তেওঁৰ উপৰিপুৰুষৰ পাৰিবাৰিক ঐতিহ্য আৰু সেই সূত্ৰে গুৱাহাটীৰ ইংৰাজ পদাধিকাৰসকলৰপৰা পোৱা পৃষ্ঠপোষকতা। তেওঁৰ ব্যক্তিত্ব আৰু মননৰ বিকাশত স্থানীয় সমাজখনৰ কোনো ভূমিকা নাছিল।

আনন্দৰামৰ উপৰিপুৰুষসকল বোলোঁতে আমি বুজাব খুজিছোঁ আনন্দৰামৰ আজো ককাক লক্ষ্মীনাৰায়ণ, ককাক পৰশুৰাম বৰুৱা আৰু পৰশুৰামৰ বৰজনা পত্নীৰ দুই পুত্ৰ হলিৰাম আৰু যজ্ঞৰামক। হলিৰামৰে পুত্ৰ আনন্দৰাম। ৰজা চন্দ্ৰকান্ত সিংহৰ (১৮১০-১৮১৮) পৰা হলিৰামে ঢেকিয়াল ফুকন বিষয় পোৱাৰ পাছত তেওঁলোকে সেইভাৱে উপাধি লেখিবলৈ লৈছিল। যজ্ঞৰামৰ নাতি দেশভক্ত তৰুণৰাম ফুকন।

দ্ৰাবিড় দেশৰ লক্ষ্মীনাৰায়ণ নামৰ বিবাহিত কিন্তু সংসাৰবিৰাগী হৈ ব্ৰহ্মচাৰী বেশে গৃহত্যাগ কৰা ব্ৰাহ্মণ এজন অসম পাইছিলহি। তেওঁ কেতিয়া অসমলৈ আহিছিল এই কথা খাটাংকৈ ক'ব নোৱাৰি। গুণাভিৰামে 'অষ্টাবিংশ শতিকাৰ' (ছপাৰ ভুল, অষ্টাদশ?) কিঞ্চিৎপূৰ্বে গৃহত্যাগ কৰাৰ কথা কৈছে। গ্ৰন্থখনৰ (অসম প্ৰকাশন পৰিষদ,

১৯৭১) আগভাগত কেৱল শকাব্দ ব্যৱহাৰ কৰা গুণাভিৰামে হয়তো 'অষ্টাদশ শতিকা' বুলি বুজাব খুজিছিল। তেতিয়া কোনো কাল বিভ্ৰান্ত নঘটে। অৰ্থাৎ ব্ৰহ্মচাৰীয়ে ইংৰাজী ১৭৭৫-৭৬ চন মানত গৃহত্যাগ কৰিছিল। আমাৰ অনুমান, তেওঁ কিছুদিন মুৰ্ছিদাবাদত থাকি, গৌৰীনাথ সিংহৰ শাসনকালৰ (১৭৮০-১৭৯৪) আগতেই অসম পাইছিলহি। চুবা বংগৰ এসময়ৰ ৰাজধানী, কিন্তু তেতিয়ালৈ জঁই পৰি যোৱা মুৰ্ছিদাবাদৰ চহৰে ভাগ্যান্বেষী ব্ৰহ্মচাৰীক বেছি দিন ধৰি ৰাখিব নোৱাৰিলে। ইতিপূৰ্বে, ১৭৭১ চনৰপৰা কোম্পানি বাহাদুৰৰ লগত যে অসমৰ পোনপটীয়া ব্যৱসায় আৰম্ভ হৈ গৈছে সেই কথাও হয়তো তেওঁ জানিছিল। ব্ৰহ্মচাৰী বুলিলেও লক্ষ্মীনাৰায়ণ যত্ৰাস্তমিতশায়ী স্বভাৱৰ লোক নাছিল। মুৰ্ছিদাবাদৰপৰা তেওঁ পূবলৈ উজাই আহিল আৰু ইয়াতে তেওঁৰ ভাগ্যৰ দুৱাৰ খোল খালে। গৃহত্যাগী ব্ৰহ্মচাৰী পুনৰ সংসাৰমুখী হ'ল। হাদীৰা চকিৰ পৰিচালনা আৰু বেপাৰৰ তলা-নলাও তেওঁ বুজি উঠিছিল। নানা ঠাই অভিজ্ঞতাপুষ্ট, সাহসী আৰু বুদ্ধিমান ব্ৰহ্মচাৰীয়ে এক বা একাধিকবাৰ উজনি অসম ভ্ৰমণৰ সুযোগ পোৱাটো অসম্ভৱ নহয়। ৰজা ঘৰৰে সৈতে ভাব জমিবলৈকো নিশ্চয় সময় লাগিছিল। তেওঁ কেপ্তেইন ৱেলছ চাহাবৰ লগত উজনিলৈ গৈ মোৱামৰীয়া বিদ্ৰোহ দমন কাৰ্যৰো সহায়ক হৈছিল। আহোম ৰজাৰ হৈ তেওঁ কছাৰী ৰণলৈকো (১৮০৩-১৮০৫) গৈছিল। (কোনো সংসাৰবিমুখী ব্ৰহ্মচাৰীয়ে এনে কাম নকৰে।) গৌৰীনাথ সিংহ আৰু কমলেশ্বৰ সিংহ — এই দুয়োজন ৰজাৰ আস্থা তেওঁ লাভ কৰিছিল। সেই আপাহতে তেওঁ অসম আৰু বংগদেশৰ সীমান্তৰ হাদীৰা চকিৰ দুৱৰীয়া বৰুৱাৰ পদ লাভ কৰিছিল।

গুণাভিৰামে লেখা মতে ব্ৰহ্মচাৰীয়ে টিয়কীয়া বামুণৰ দুজন আশ্ৰয়হীন ল'ৰা-পৰশুৰাম আৰু ৰণৰামক 'চপাই' লৈছিল। এই দুজনৰ উপৰি কামৰূপৰ আৰু চাৰিজন ল'ৰা আৰু এটি কন্যাৰ দায়িত্বও ব্ৰহ্মচাৰীয়ে গ্ৰহণ কৰিছিল।

গুণাভিৰামৰ বৰ্ণনাৰপৰা বুজিব পাৰি, লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী আছিল সকলো কামতে খৰ্ব-নিখৰ্ব, a cook in the front burner দুৱৰীয়া বৰুৱা হিচাপে ব্ৰহ্মচাৰীয়ে চকিৰ বেপাৰতো হাত দিলে আৰু 'দেশখানৰে বেপাৰ (তেওঁৰ) গ্ৰহতীয়া হ'ল।' তেওঁৰ বেপাৰৰ নাও আছিল দুশ ছত্ৰিশখন। সময়ত ব্ৰহ্মচাৰীয়ে ৰজাঘৰত খাটি হাদীৰা চকি পৰশুৰামৰ নামত লেখাই দিলে; ব্যৱসায়ৰো সমুদায় দায়িত্ব তেওঁ পৰশুৰামৰ ওপৰত এৰি দিছিল।

আমাৰ বিশ্বাস হয়, পৰশুৰাম আৰু ৰণৰাম, লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ আপোন সন্তান। গুণাভিৰামে এনে কথা নজনাৰ কাৰণ থাকিব নোৱাৰে। কিন্তু আনন্দৰামৰ

আনন্দৰাম ঢেকিয়াল ফুকন

আছিল জানো? তথাপি এগৰাকী সত্যনিষ্ঠ লেখক হিচাপে তেওঁ লেখি থৈ গৈছে — জীৱনী প্ৰকাশ কৰাৰ সময়ত, ১৮৮০ চনত অসমত সেই কথা প্ৰকাশ্যে কোৱা সম্ভৱ 'তেওঁৰ জন্মভূমি আৰু ঘৰ-পৰিবাৰ সকলো পৰিত্যাগ কৰি আহি ঘটনাক্ৰমে ভাৰতবৰ্ষৰ এটা চুকত এইৰূপে ঘৰবাৰী, পুত্ৰ, বিষয়-সম্পত্তি কৰিলে আৰু ইয়াত এটি নতুন বংশ সংস্থাপন কৰিলে।' ঠিক 'চপাই লোৱা' ল'ৰাৰে নতুন বংশ সংস্থাপন কৰা নহয়। (অন্যথাই পৰশুৰামৰ বংশ টিয়কীয়া বামুণৰ বংশই হৈ থাকিলহেঁতেন।)

আনহাতে, তেওঁৰ সুযোগ্য পুত্ৰ জ্ঞানদাভিৰামে ১৯৪২ চনত নিজৰ পৰিয়ালৰ বুৰঞ্জী জানিবলৈ বিশেষভাৱে আগ্ৰহী হোৱা তেওঁৰ নুমলীয়া পুত্ৰ চিত্তাভিৰামলৈ লিখা এখন চিঠিত দেখুওৱা বংশলতা অনুসৰি তেওঁৰ ককাক ৰণৰামৰ পিতৃ লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী। তদুপৰি চিঠিখনৰ ওপৰত লেখা হৈছিল, মনো (ভিৰাম) আৰু নয়নে (নয়নাভিৰাম) বোধহয় এই কথা জানে। অৰ্থাৎ এইখিনি পৰিয়ালৰ মানুহে একান্তভাৱে জানিবলগীয়া কথা। জ্ঞানদাভিৰামৰ দৰে এজন বিদ্বান আৰু পাৰিবাৰিক ঐতিহ্যসচেতন লোকে তেওঁৰ অতি নিকট পূৰ্বপুৰুষসকলৰ বিষয়ে সত্যশুদ্ধ কথা নাজানিব বা নক'ব এনে কথা ভাবিব নোৱাৰি। তদুপৰি, লক্ষ্মীনাৰায়ণ-পৰশুৰাম-হলিৰাম-যজ্ঞৰাম-আনন্দৰামৰ দৈহিক আৰু অগতানুগতিক বিৰল চৰিত্ৰধৰ্ম বিশিষ্ট লক্ষণবোৰ অনুধাৱন কৰিলেই ভাব হয় তেওঁলোকৰ genetic pool অৰ্থাৎ বংশগতিৰ উপাদান উৎস একেটাই।

১৭৫১ শকৰ ৭ আহিন মঙ্গলবাৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম। এডিপি কলেজ কৰ্তৃপক্ষই ২০০২ চনৰপৰা আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰি আহিছে ফুকনৰ জন্মদিন ২৪ ছেপ্টেম্বৰ তাৰিখে। পিছে এই তাৰিখটো শুদ্ধ নিৰ্ণয় নহ'ল। ঊনবিংশ শতিকাৰ বংগদেশৰ সমাজ ইতিহাসৰ প্ৰসিদ্ধ গৱেষক অধ্যাপক স্বপন বসুৱে আমাক নিশ্চিত কৰিছে যে ইংৰাজী মতে ১৭৫১ শকৰ ৭ আহিন মঙ্গলবাৰ আছিল ২২ ছেপ্টেম্বৰ ১৮২৯ চন।

২

খ্যাতনামা বুৰঞ্জীবিদ এৰিক হবছবামৰ মতে ঊনবিংশ শতিকা হ'ল 'long' nineteenth century ১৭৮৯ চনৰ পৰা ১৯১৪ চনলৈ, ১২৫ বছৰ। কুৰি শতিকা চুটি, ১৯১৪ চনৰ পৰা ১৯৯১ চনলৈ, মাত্ৰ ৭৭ বছৰ। একবিংশ শতিকা আৰম্ভ হৈছিল ১৯৯১ চনত ৰুছিয়া আৰু পূব ইউৰোপত কমিউনিজিমৰ পতনৰপৰা। হবছবামে যুগবৈশিষ্ট্যৰ ভিত্তিত কৰা এই কালবিভাজন বহলভাৱে গ্ৰহণযোগ্য হৈছে। ঊনবিংশ

শতিকা যথাৰ্থতে 'দীঘল'; বহু আৱিষ্কাৰ, মতবাদ, যুগান্তকাৰী প্ৰগতি আৰু পৰিবৰ্তনৰ সাক্ষী এই শতিকা।

ঔপনিৱেশিক জগতৰ সূচনা হৈছিল ৰেনেছাঁচ বা নৱজাগৰণৰ ঠিক পাছতে আৰম্ভ হোৱা ভৌগোলিক আৱিষ্কাৰসমূহক কেন্দ্ৰ কৰি। ঐতিহাসিকসকলে ইয়াক তিনিটা পৰ্যায়ত ভাগ কৰিছে। প্ৰথম পৰ্যায় আৰম্ভ হৈছিল ১৬ শতিকাত; ভাস্কো দা গামা, কলম্বাছ, এমেৰিগো ভেছপুচি, মেগেলান আদিৰ ভৌগোলিক আৱিষ্কাৰৰ সূত্ৰ ধৰি; ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতা আৰু সুৰক্ষাত গঢ়ি উঠা mercantilismৰ আদৰ্শত। এই পৰ্বৰ অন্ত পৰিছিল ১৭৬৩ চনত, পেৰিচ সন্ধিৰদ্বাৰা ইংলেণ্ডে উত্তৰ আমেৰিকা, ভাৰত, আফ্ৰিকা আৰু কেৰিবিয়ান দ্বীপপুঞ্জত ৰাজনৈতিক অধিকাৰৰ স্বীকৃতি লাভৰ জৰিয়তে। দ্বিতীয় পৰ্ব চলিছিল ১৭৬৩ চনৰপৰা ১৮৭৫ চনলৈ। এই পৰ্যায়ত mercantilism ৰ পৰিৱৰ্তে আহিল laissez faire বা মুক্ত বাণিজ্যৰ নীতি। ইয়াৰ পৰিণতি পুঁজিবাদ আৰু ঔপনিৱেশিকতাবাদ। তৃতীয় পৰ্ব চলিছিল ১৮৭৫ চনৰপৰা ১৯৫০ চনলৈ। আমাৰ আলোচনাৰ দ্বিতীয় পৰ্বৰ দুটামান কথাতে সীমাবদ্ধ থাকিব।

দ্বিতীয় পৰ্বতে, ওঠৰ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আগভাগত ঔপনিৱেশিক জগতত পয়মাল লাগিল। ব্ৰিটিছসকলে আমেৰিকাৰ তেৰখন উপনিৱেশ হেৰুৱালে। আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ (১৭৭৬-১৭৮৩) অন্তত জৰ্জ ৱাশ্বিংটন প্ৰথম ৰাষ্ট্ৰপতি হ'ল ১৭৮৯ চনত। আমেৰিকাক হেৰুৱাই ব্ৰিটিছে পালে ভাৰতক। ১৭৮৪ চনৰ পীটৰ ভাৰত আইনে তেওঁলোকক উৎসাহিত কৰিলে ভাৰতৰ প্ৰতি। ভাৰত আছিল ইংৰাজৰ দ্বিতীয় সাম্ৰাজ্যৰ অংগীভূত। এছিয়া, আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াক লৈ সেই দ্বিতীয় সাম্ৰাজ্য। এই দ্বিতীয় সাম্ৰাজ্যৰ ফলত ইংলেণ্ডৰ অৰ্থনীতিৰ বিস্ময়জনক শক্তিবৃদ্ধি হৈছিল। কেৱল ঊনবিংশ শতিকাত ইংলেণ্ডৰ জনসংখ্যা বৃদ্ধি হৈছিল চাৰিগুণ, কিন্তু জাতীয় আয় বৃদ্ধি হৈছিল আঠগুণ! মহাৰাণী ভিক্টোৰিয়াৰ সুদীৰ্ঘ শাসনকাল (১৮৩৭-১৯০১) সাম্ৰাজ্যৰ ভৰ দুপৰীয়া।

১৮৫০ চনত প্ৰকাশ হোৱা ভিক্টোৰিয়া যুগৰ আদৰ্শ প্ৰতিফলিত কৰা *দ্য এজ এন্ড ইটছ আৰ্কিটেক্টছ* গ্ৰন্থত ই. পি. উডে কৈছিল — 'প্ৰতিজন ইংৰাজৰ কাম হৈছে ঘৰৰপৰা বাহিৰলৈ ওলাই অহা, জীৱন যুঁজক বৰণ কৰা, পৃথিৱীৰে সৈতে সেতু বন্ধা, সকলো সাগৰত পাৰি দিয়া, নিজৰ প্ৰতিভাৰ জ্যোতি জাতিৰ মাজত বিলাই দিয়া। ... ... টিউটনিক ইংৰাজ জাতিৰ ওপৰতে নিৰ্ভৰ কৰিছে বিশ্বৰ সভ্যতা আৰু প্ৰগতি।'

ইংৰাজসকলৰ জাতিগত সাম্ৰাজ্যচেতনা আৰু আত্মবিশ্বাসৰ অৱলম্বনৰ ভিত্তি আছিল জেৰেমি বেন্থামৰ (১৭৪৮-১৮৩২) উপযোগিতাবাদ। ইংৰাজৰ এই জয়যাত্ৰাক

তেওঁলোকে March of Intellect বা মেধাৰ জয়যাত্ৰা বুলি ভাবিছিল। উপযোগিতাবাদীসকলৰ আদৰ্শ — 'সৰ্বোচ্চ সংখ্যক মানুহৰ সৰ্বোত্তম কল্যাণ' কেৱল এটা ৰাজনৈতিক শ্ল'গান নাছিল। উপনিৱেশবোৰৰ বহু শাসকে ইয়াক এটা বাস্তৱ আদৰ্শৰূপে গ্ৰহণ কৰিছিল।

গতিকে, আগেয়ে কৈ অহা দ্বিতীয় সাম্ৰাজ্য বিস্তাৰৰ যুগত আনহে নালাগে কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেড্ৰিখ এঙ্গেলছৰো সমৰ্থন দেখা গৈছিল। প্ৰাচ্যত সভ্যতাৰ প্ৰভাৱ পেলাবলৈ আনকি জাৰতান্ত্ৰিক ৰুছিয়াও সক্ষম বুলি এঙ্গেলছে বিশ্বাস কৰিছিল। মাৰ্ক্স আৰু এঙ্গেলছৰ মতে যেতিয়া দুখন দেশৰ মাজত আধিপত্যৰ বাবে যুঁজ হয় তেতিয়া তাৰ ভিতৰতে বেছি আগবঢ়া দেশখনৰ ভূমিকা সমৰ্থনযোগ্য। জাৰৰ অধীনৰ ৰুছিয়া আৰু ইংলেণ্ডৰ ভিতৰত যিহেতু ইংলেণ্ড আগবঢ়া গতিকে বাল্টিক সাগৰেদি মধ্য এছিয়ালৈ ইংলেণ্ডৰ বাট মুকলি হোৱা উচিত। অৰ্থাৎ পিছপৰা ৰুছিয়াৰ প্ৰভাৱ পশ্চিমলৈ বৃদ্ধি হ'ব নালাগে, আগবঢ়া ইংলেণ্ডৰ প্ৰভাৱহে পূবলৈ বাঢ়িব লাগে। আমেৰিকাই মেক্সিকো দখল কৰাৰ সময়ত, অৰ্থাৎ ১৮৪৮ চনৰ আগভাগত, মাৰ্ক্স আৰু এঙ্গেলছে তাক এটা স্বাভাৱিক ঘটনা বুলিয়েই ভাবিছিল। তেওঁলোকৰ ভাষাত — 'energetic Yankee' বিলাকে 'lazy Mexican' বিলাকতকৈ কেলিফৰ্নিয়াক দ্ৰুতভাৱে আগবঢ়াই নিব আৰু তাৰ দ্বাৰা লাভৱান হ'ব বিশ্ব অৰ্থনীতি। ঠিক সেইদৰে আলজিৰিয়াৰ ইছলামধৰ্মী জনজাতিসকলৰ ডেৰ দশকৰো অধিককালজুৰি চলা প্ৰবল প্ৰতিৰোধ অতিক্ৰম কৰি ফৰাচীসকলে আলজিৰিয়া জয় (১৮৪৭) কৰা কাৰ্য ফ্ৰেড্ৰিখ এঙ্গেলছে 'an important and fortunate fact for the progress of civilization' বুলি আদৰণি জনাইছিল। (H.B. Davis, *Nationalism and Socialism*, 1967)

দেশে 'আধুনিক ভাৰতৰ পিতৃপুৰুষ' বুলি বৰণ কৰা ৰাজা ৰামমোহন ৰায়েও ঠিক একে সুৰতে কৈছিল, — 'জাতীয় স্বাধীনতা মানেই সৰ্বোত্তম বস্তু নহয়। সমাজৰ লক্ষ্য হোৱা উচিত সৰ্বোচ্চ সংখ্যক মানুহৰ কল্যাণ নিশ্চিত কৰা। যি জাতিৰ ভিতৰত ভৱিষ্যৎ উন্নতিৰ বাবে নিজা কোনো আদৰ্শ নাই, সেই জাতিয়ে তেনে কল্যাণ চিন্তা কৰিব নোৱাৰে। তেনে জাতিক তেওঁলোকতকৈ অধিকতৰ সভ্য জাতিয়ে ক্ষমতা প্ৰয়োগ কৰি হ'লেও পথ দেখুৱাব লাগে।' ৰামমোহনৰ এই চিন্তাই আছিল সেই সময়ৰ সকলো শিক্ষিত, দেশপ্ৰেমিক ভাৰতীয়ৰ চিন্তা। আনন্দৰামৰ দৃষ্টিভংগী বুজিবলৈ ইয়াতকৈ আৰু বেছি দূৰলৈ যোৱাৰ প্ৰয়োজন নাই।

অসমীয়া মানুহৰ কল্যাণচিন্তাই আন্দৰামক ইংৰাজ শাসনৰ সৈতে সহযোগিতাৰ পথলৈ লৈ গৈছিল। কোনো ধাৰণাই ধ্ৰুৱতৰাৰ দৰে স্থিৰ নহয়। সকলো চিন্তাশীল মানুহৰ

চিন্তাৰ ৰূপান্তৰ ঘটে, ধ্যানধাৰণাই মোট সলায়। সহযোগিতা আৰু সংঘাতৰ দ্বান্দ্বিক প্ৰক্ৰিয়াৰ মাজেদিয়েই কলনিয়েল বুদ্ধিজীৱীসকলৰ ব্যক্তিত্বৰ বিকাশ ঘটিছিল।

৩

এই মুহূৰ্ততে আমাৰ আলোচনাৰ বাট দেখুৱাব পৰা দুটামান কথা গুণাভিৰাম ৰচিত জীৱন চৰিত্ৰৰপৰা উত্থাপন কৰিব খুজিছোঁ।

(ক) 'সৰুৰে পৰা তেওঁ আগৰদিনীয়া পুৰণি কথা আৰু সাধুকথা শুনিবলৈ বৰ ভাল পাইছিল।'

(খ) 'ফুকনৰ সৰুৰে পৰা প্ৰাচীন ইতিহাস আৰু প্ৰাচীন কথা শুনিবলৈ বৰ ইচ্ছা। কোনো প্ৰাচীনলোকক লগ পালে তেওঁ পুৰণি কথা বৰ আগ্ৰহেৰে শুনিছিল।

(গ) ১৮৪৫ চনৰ জানুৱাৰি মাহত, প্ৰথমবাৰ কলিকতাৰ পৰা উভতি অহাৰ পাছত — 'এখোটালিত তেওঁৰ লগত অহা কিতাপ চাৰিটা আলমাৰীত সজাই থ'লে। ... কিতাপবিলাকো উৎকৃষ্ট লাইব্ৰেৰীৰ নিয়মে সজালে, যি বিভাগৰ যি কিতাপ তাক সেই মতে থ'লে।' সেই সময়ত আনন্দৰামৰ বয়স যোল্ল বছৰ।

ঢেকিয়াল ফুকনৰ ইতিহাসপ্ৰীতি আৰু গ্ৰন্থপ্ৰীতিৰ গভীৰতম প্ৰভাৱৰ চিন আছে তেওঁৰ ইংৰাজী আৰু অসমীয়া ভাষাৰ ৰচনাসমূহত, তেওঁৰ দৈনন্দিন চিন্তা আৰু কৰ্মত। উৰ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশক্ৰমে অসমৰ বিষয়ে অধ্যয়ন কৰিবলৈ অহা এ জে মোফাট মিলছৰ ওচৰত দাখিল কৰা আনন্দৰামৰ *Observations on the Administration of the Province of Assam* শীৰ্ষক প্ৰতিবেদন (১৮৫৩), a Few Remarks on the Assamese Language and on Vernacular Education in Assam (১৮৫৫) নামৰ পুস্তিকা আৰু *অসমীয়া লৰাৰ মিত্ৰ* (১৮৪৯) ৰ কথা সকলোৱে জানে। তেওঁ ইংৰাজীৰপৰা বাংলা ভাষালৈ অনুবাদ কৰা *সদৰ আদালতেৰ নিষ্পত্তি* আৰু *আইন ও ব্যৱস্থা সংগ্ৰহ* গ্ৰন্থ দুখনৰ ব্যৱহাৰিক মূল্যও এসময়ত কম নাছিল।

আনন্দৰামে মানৰ আক্ৰমণে জুৰুলা কৰা অসমীয়া জাতিৰ ভাষিক আত্মপৰিচয়ৰ আন্দোলনটি উদ্বোধন কৰিছিল। *A Few Remarks...* পুস্তিকাত অসমীয়া ভাষাৰ পুনৰ্বাসনৰ সপক্ষে তেওঁ সাতোটা অকাট্য যুক্তি দাঙি ধৰিছিল। গধুৰ চৰকাৰী কামৰ বোজা মূৰত লৈ অসমীয়া ভাষা-সাহিত্য, বুৰঞ্জী সাহিত্য আৰু তুলনামূলক ভাষাতত্ত্বৰ যিখিনি তথ্য তেওঁ সংগ্ৰহ আৰু প্ৰণালীবদ্ধভাৱে উত্থাপন কৰিলে তাক ভাবিলে বিস্মিত হ'ব লাগে। সেই সময়ত অসমীয়া নামৰ কণামাকৰি এটাইও এইবোৰৰ ভু-ভা লোৱা

নাছিল। উক্ত পুস্তিকাতে তেওঁ আক্ষেপ কৰিছিল যে কুৰি বছৰ ধৰি 'কেৱল' আমেৰিকান মিছনেৰীসকলে অসমীয়া ভাষাৰ হৈ মাত মাতি আহিছে। অসমীয়া ভাষাৰ সোণ-ৰূপৰ কলচীটো মনিব পৰা সেই মিছনেৰীসকল আছিল — মাইলছ্ ব্ৰনছন, নাথান ব্ৰাউন, তস্য পত্নী এলিজা, অলিভাৰ টি কাট্টাৰ আৰু তস্য পত্নী হেৰিয়েট। চাৰি বছৰ পাছত ঢেকিয়াল ফুকন গ'লগৈ। কিন্তু গ্ৰাহ-গজেন্দ্ৰ যুদ্ধ চলি থাকিল কাগজে কলমে। তাৰো চৈধ্য বছৰৰ পাছত, ১৮৭৩ চনত অসমীয়া ভাষাৰ পুনৰ্বাসন ঘটিল।

আনন্দৰামে যি প্ৰত্যয়েৰে অসমীয়া জাতিৰ সাংস্কৃতিক সম্পদবোৰ পোহৰলৈ আনিব খুজিছিল, উত্তৰ-ঔপনিৱেশিক দৃষ্টিকোণৰপৰা চালে সি এক প্ৰতিস্পৰ্ধী জাননি। আফ্ৰিকাৰ খ্যাতনামা লেখক চিনুৱা আচিবিয়ে এখন ৰচনাত যেন সেই কথাকে দোহাৰিছে, — 'Let every pepole bring their gifts to the great festival of the world's cultural harvest and mankind will be all the richer for the variety and distinctiveness of the offerings.'

যিবোৰ জাতিৰ নিজৰ ভাষাৰ অৱদমনৰ অভিজ্ঞতা হৈছে তেওঁলোকেহে বুজিব পাৰে ইয়াৰ কি তীব্ৰ দহন। কুৰি শতিকাৰ পঞ্চাশৰ দশকত কেনিয়াত তাৰ প্ৰচলিত জিকু (Gikuyu) ভাষা আঁতৰাই ইংৰাজী প্ৰচলন কৰা হৈছিল। সেই অভিজ্ঞতা থকা ছাত্ৰজনে পাছলৈ সেইবাবেই ভাষা সম্পৰ্কে এনে কথা কোৱা সম্ভৱ — 'Language as culture is the collective memory bank of a people's experience in history.' [Bill Ashcroft and others (ed.) *The Post-Colonial Studies Reader, London, 1999*] অসমীয়া ভাষাৰ বুৰঞ্জী, নাটক অংক, ভূগোল, অভিধান, আইন, ধৰ্ম আৰু নিদানশাস্ত্ৰৰ পাটন দি ঢেকিয়াল ফুকনেতো তাকেই বুজাব খুজিছিল — অসমীয়া ভাষা নোহোৱাকৈ অসমীয়া সংস্কৃতি পানীৰ মিঠৈ।

## ৪

আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫৩ চনৰ ৪ জুলাই তাৰিখে মোফাট মিলছ চাহাবক দিয়া আৰ্জিখনৰ (অৱজাৰভেছনজ অন্য দ্য এডমিনিষ্ট্ৰেছন অৱ দ্য প্ৰভিন্স অৱ আছাম) দুটামান কথা আমি আলোচনা কৰিব পাৰোঁ। অসমীয়া ভাষাৰ নিৰ্বাসনৰ বিৰুদ্ধে সেই টোকাত তেওঁ জোৰ প্ৰতিবাদ কৰিছিল। মিলছ চাহাবে ঢেকিয়াল ফুকনৰ যুক্তিৰ যথাৰ্থতা স্বীকাৰ কৰিছিল। পিছে মিলছৰ চুপাৰিছেও সহজে বংগ চৰকাৰৰ গা লৰাব পৰা নাছিল।

আনন্দৰামে সেই টোকাত অসমৰ কৃষি আৰু কৃষক প্ৰজাৰ সৰ্বাংগীণ উন্নতিৰ

বাবে কিছুমান নতুন কথা কৈছিল। তেনে কথা তেতিয়ালৈকে সিমান জৰুৰীভাৱে অসমৰ ইংৰাজ শাসকসকলে ভবা চিন্তাৰ প্ৰমাণ নাই। যোল্ল শতিকাৰপৰাই ইংলেণ্ডত কৃষিকৰ্মৰ ওপৰত গুৰুত্ব দি কিতাপ প্ৰকাশ কৰা হৈছিল। পাছৰ শতিকাত তেনে কিতাপৰ সংখ্যা আৰু বাঢ়িছিল। ১৬৪৯ চনত প্ৰকাশ হোৱা দ্য ইংলিছ ইমপ্ৰুভাৰ নামৰ গ্ৰন্থ লেখক ৱাল্টাৰ ব্লিদে ইংলেণ্ডত কৃষিৰ সম্প্ৰসাৰণৰ সপক্ষে সকলো শ্ৰেণীৰ বাবে পতিয়নযোগ্য যুক্তি দাঙি ধৰিব পাৰিছিল। ঠিক তিনি বছৰৰ পাছত ওলোৱা গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণৰ বেটুপাতত দেখুৱা হ'ল — নিউ মডেল আৰ্মিৰ সৈনিকসকলে ব্যৱহাৰ কৰা যুদ্ধৰ তৰোৱালবোৰ নাঙলৰ ফাল কৰা হৈছে। গ্ৰন্থখন উছৰ্গা কৰা হৈছিল নিউ মডেল আৰ্মিৰ স্ৰষ্টা অলিভাৰ ক্ৰমৱেলক। বিজ্ঞানী আইজাক নিউটনেও কৃষিকৰ্ম আৰু শাক-পাচলিৰ অধিক উৎপাদনত উৎসাহ যোগাইছিল। আমেৰিকাত গৈ ইংৰাজ উপনিৱেশ পাতোতাসকলৰো ঘোষিত উদ্দেশ্যৰ এটা আছিল কৃষিৰ সম্প্ৰসাৰণ। যোড়শ শতিকাৰ মাজভাগত আৰম্ভ হোৱা ছায়েন্টিফিক ৰেভলিউছনৰপৰাও কৃষিকৰ্মই প্ৰেৰণা পাইছিল। ওঠৰ শতিকাৰ ফ্ৰান্সত উদ্ভৱ হোৱা ফিজিঅ'ক্ৰেটছ নামে পৰিচিত প্ৰভাৱশালী স্কুলটোৱে উদ্যোগ আৰু বাণিজ্যতকৈ গুৰুত্ব দিছিল কৃষিক। ৰাজকুমাৰ হৈ থকা কালতে ষোড়শ লুইয়ে নাঙলৰ মুঠিত ধৰিছিল আৰু তেওঁৰ মাকে নিজহাতে গাখীৰ খীৰাইছিল কৃষিকৰ্ম আৰু পশুপালনৰ প্ৰতি মানুহৰ মন ঘূৰাবলৈ। অষ্ট্ৰিয়াৰ ৰজা দ্বিতীয় জোছেফে কৃষিক্ষেত্ৰ শক্তিশালী কৰিবলৈ ভূমিদাস প্ৰথাকে ৰহিত কৰিছিল। ইউৰোপৰ উন্নত দেশবোৰত এগ্ৰিকালছাৰেল ছচাইটি নামৰ কিছুমান অনুষ্ঠান গঢ়ি উঠিছিল। এই ছচাইটিবিলাকে কৃষি সম্পৰ্কে অধ্যয়ন কৰি কৃষি, কৃষিৰ সঁজুলি, উন্নত বীজ আদি সমলবোৰৰ বিষয়ে মানুহক জনাবলৈ যত্ন কৰিছিল। Science with Practice — এয়ে আছিল এগ্ৰিকালছাৰেল ছচাইটি অব ইংলেণ্ডে ১৮৩৮ চনত গ্ৰহণ কৰা motto বা আদৰ্শবাণী।

কৃষি আৰু পশুধনৰ উন্নতিবিধান আছিল হুইগসকলৰ ৰাজনৈতিক আদৰ্শ। 'Agriculture, for whigs, had always been politics by other means.' কোনো সন্দেহ নাই যে ঢেকিয়াল ফুকনৰ নখদৰ্পণত আছিল এনে সকলোবোৰ সংবাদ আৰু ধ্যানধাৰণা। সিবোৰৰ উৎস তেওঁৰ বহল অধ্যয়ন।

ইউৰোপ আৰু উত্তৰ ভাৰতৰপৰা কৃষিকৰ্মপটু কিছুমান মানুহ আনি অসমৰ প্ৰত্যেকখন গাঁৱতে উন্নত কৃষিপ্ৰণালী, কৃষিশস্য আৰু কৃষি সঁজুলিৰ প্ৰয়োগ প্ৰশিক্ষণ দিয়া, লগতে উন্নত জাতৰ পশুধন বিক্ৰী-বিতৰণৰ বাবে তেওঁ পৰামৰ্শ দিছিল। বংগদেশৰ ৰায়ত আৰু বিজনীৰাজৰ অধীনত ৰায়তৰ অৱস্থা নিজে অধ্যয়ন বা

পর্যবেক্ষণ কৰিবলৈ সুযোগ পোৱা ঢেকিয়াল ফুকনৰ জমিদাৰী ব্যৱস্থাৰ প্ৰতি সমৰ্থন নাছিল। তেওঁ গুৰুত্ব দি ব্যৱহাৰ কৰা শব্দটো 'ইমপ্ৰুভমেন্ট'। জমিদাৰসকলৰ বিৰুদ্ধেও তেওঁৰ সেইটোৱেই অভিযোগ, তেওঁলোকে 'ইমপ্ৰুভমেন্ট'ৰ প্ৰতি সমূলি পিঠি দিয়া বুলি। আচলতে এই 'ইমপ্ৰুভমেন্ট' হ'ল ইংলেণ্ডৰ ৰজা তৃতীয় জৰ্জৰ ৰাজত্বকালতে (১৭৬০-১৮২০) আৰম্ভ হৈ ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধলৈ ইংলেণ্ডৰ বাহিৰ-ভিতৰ গুলজাৰ কৰা এটা আন্দোলনৰ। ৰাজনীতিৰ ইন্ধন, খ্ৰীষ্টধৰ্মৰ নৈতিক প্ৰেৰণা আৰু বিজ্ঞানৰ প্ৰকৃতি জয়ৰ সংকল্প — মূলতঃ এই তিনিটাই 'ইমপ্ৰুভমেন্ট'ৰ স্তম্ভ। ইয়াৰ কেন্দ্ৰ আছিল কিউৰ ৰয়েল বটানিক গাৰ্ডেন। ভাৰত, সিংহলকে ধৰি ঊনবিংশ শতিকাৰ ব্ৰিটিছ উপনিৱেশবিলাকত 'ইমপ্ৰুভমেন্ট'ৰ আদৰ্শৰে কাম কৰা চৰকাৰী-অনাচৰকাৰী ইংৰাজলোকৰ সংখ্যা নিচেই কম নাছিল। (*R. Drayton, Nature's Government : Science, Imperial Britain, and 'Improvement' of the World,* 2000)

আনহে নালাগে ব্ৰিটেনৰ ৰেডিকেল নেতা ৰিচাৰ্ড কবডেনে ইয়াৰ গুৰুত্ব দোহাৰি হাউছ অব কমন্সত কৈছিল (১৮৪৮) : '*It is the age of improvement, it is the age of social advancement, not the age for war or for feudal sports*'

সোতৰ বছৰ বয়সতে ঢেকিয়াল ফুকনে কৈছিল, 'কৃষি কৰ্ম নে বাঢ়িলে বাণিজ্যও নে বাঢ়ে, সেই নিমিত্তে দুইকো অনুশীলন কৰিবলৈ যত্ন কৰা।' পুনৰ চৌবিশ বছৰ বয়সত তেওঁৰ কৃষিচিন্তাত নতুনত্বৰ সন্ধান পোৱা গ'ল। তেওঁ কৃষি মানে পুৰণিকলীয়া কৃষিৰ কথা কোৱা নাছিল। তেওঁ বুজাব খুজিছিল, কৃষিকৰ্মত সফল হ'বলৈকো এটা আলোকিত মন লাগিল। কৃষিকৰ্মৰ প্ৰতি মানুহ শ্ৰদ্ধাশীল হ'ব লাগিব। চিন্তা আৰু সঁজুলিৰ নতুন উদ্ভাৱনাবোৰ কৃষিত প্ৰয়োগ কৰাৰ মাজেদি তেওঁ অসমৰ কৃষিক্ষেত্ৰলৈ এটা জাগৰণ আনিব খুজিছিল। বোপাককাৰ বৃত্তিৰূপে খেতি-বাতি চলাই যাবলৈ ঢেকিয়াল ফুকনৰ আহ্বানৰ কোনো প্ৰয়োজন নাই বুলি সিজনাই জানো নাজানিছিল? অসমত আধুনিক কৃষিতকৈ আধুনিক কৃষিচিন্তা আগৰ — ই ঢেকিয়াল ফুকনৰে কৃতিত্ব। 'শিল্পৰ উন্নতি'ৰ প্ৰতিও তেওঁ সজাগ আছিল। কুটিৰ শিল্পৰ অৱনতি তেওঁ লক্ষ্য নকৰাকৈ নাছিল। গুণাভিৰামে কৈছে, 'দেশীয় লোকসকলৰ উন্নতিৰ নিমিত্তে তেওঁৰ ইমান যত্ন আছিল যে তেওঁ যেন সেইসকলৰ হাতত ধৰি তুলিব।'

৫

আনন্দৰামৰ ইংৰাজশাসনৰ প্ৰতি আদৰ-আনুগত্য সুবিদিত। তেওঁৰ ৰাজনৈতিক

চিন্তাৰ 'সীমাবদ্ধতা' আছিল আৰু তেওঁ দেশৰ স্বাধীনতা-চিন্তাৰ পৰা আঁতৰত থকা বুলিও সমালোচনা কৰা হয়। এইবোৰ নাও আৰু গৰুগাড়ীৰ দিনত তেওঁ উৰাজাহাজৰ টিকট নিবিচাৰিলে কিয় বুলি কৰা অভিযোগৰ লেখীয়া। দেশখন মানৰ হাতৰপৰা উদ্ধাৰ আৰু ৰক্ষা কৰাৰ বাবেই সেই প্ৰজন্মৰ সকলো দেশপ্ৰেমিক মানুহ ইংৰাজৰ প্ৰতি কৃতজ্ঞ আছিল। বাণিজ্যিক স্বাৰ্থ ক্ষুণ্ণ নোহোৱালৈকে, নিজৰ মৰ্যাদা মৰ্দিত নোহোৱালৈকে মণিৰাম দেৱানেও বিচাৰিছিল ইংৰাজ শাসন 'এক কল্প' বছৰ চলি থাকক বুলি।

এইখিনিতে ইতিহাস অধ্যয়ন আৰু উপলব্ধিৰ অগতানুগতিক পদ্ধতি counter-factual historyৰ দৃষ্টিভংগীৰে আমি নিজকে সুধি চাওঁ — ইংৰাজৰ সহায় নোহোৱাকৈ অসম দেশ বৰ্বৰ মানহঁতৰপৰা অসমীয়া মানুহে উদ্ধাৰ কৰিব পাৰিলেহেঁতেন নে? অসম দেশ উদ্ধাৰ নকৰা হ'লে আজিৰ ৰূপত অসমীয়া জাতিৰ অস্তিত্ব থাকিলহেঁতেন নে? সেই সময়ৰ অসম আৰু প্ৰতিৱেশী পৰ্বত-ভৈয়ামৰ নাড়ি-নক্ষত্ৰ সম্যকভাৱে বিচাৰ কৰিব পৰা ঐতিহাসিক হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে, — 'শেষ মুহূৰ্তত ব্ৰিটিছ ফৌজ আহি নোপোৱা হ'লে হয়তো অসমখন মানদেশৰ লগতে চামিল হ'লহেঁতেন নাইবা উত্তৰ-দক্ষিণৰ দুয়োফালৰ পৰ্বতীয়াহঁতে টুকুৰা-টুকুৰকৈ ভগাই ল'লেহেঁতেন।' ঠিক সেইবাবেই মানৰ দিনৰ ভয়াবহ স্মৃতি বেজবৰুৱাৰ দিনলৈকে দহদহীয়া হৈ আছিল।

ঢেকিয়াল ফুকনৰ জীৱন কালত দেশত জাতীয়তাবাদী স্বাধীনতাস্পৃহাৰ অংকুৰণেই ঘটা নাছিল। তাৰ কেবাদশকৰ পাছত, ৰাষ্ট্ৰগুৰুৰূপে বন্দিত সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ (১৮৪৮-১৯২৫) বয়ান চাওক— 'ইংলেণ্ডলৈ আমি চাওঁ অনুপ্ৰেৰণা আৰু নেতৃত্বৰ বাবে। ইংলেণ্ডৰ পৰাই আহিব লাগিব চূড়ান্ত আদেশ — যাৰ পৰা আমাৰ মানুহে পাব ভোটাধিকাৰ। ৰাজনৈতিক কৰ্তব্যৰ উচ্চস্বৰত ইংলণ্ডই আমাৰ ৰাজনৈতিক গুৰু আৰু পুৰোহিত।' (হেৰম্বকান্ত বৰপূজাৰীৰ অনুবাদ)

চিকাগো ভ্ৰমণৰ অন্তত, অন্তৰত ইংৰাজৰ প্ৰতি তীব্ৰ 'ঘৃণা' লৈ ইংলেণ্ডলৈ যোৱা (১৮৯৫) স্বামী বিবেকানন্দ পাছত ইংৰাজৰ জাতীয় জীৱনৰ প্ৰশংসাত পঞ্চমুখ হৈছিল। সিহঁত বীৰৰ জাতি, আচল ক্ষত্ৰিয়, ইত্যাদি। স্বদেশপ্ৰেমৰ মূৰ্ত প্ৰতীক হৈও বিবেকানন্দ ইংৰাজবিৰোধী ৰাজনৈতিক আন্দোলনৰপৰা দূৰৈত ৰৈ গৈছিল।

ভাৰতৰ জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ ছাব্বিশ বছৰ পাছতো ইংৰাজ সম্ৰাট আৰু শাসনৰ প্ৰতি আনুগত্য প্ৰকাশৰ এটা অবিশ্বাস্য দৃশ্যৰ উল্লেখ আছে কংগ্ৰেছৰ লক্ষ্ণৌ অধিৱেশনৰ (১৯১৬) সভাপতি অম্বিকাচৰণ মজুমদাৰৰ সুবৃহৎ গ্ৰন্থ *দ্য ইণ্ডিয়ান নেছনেল ইভ'লিউছনেত*। ইংলেণ্ডৰ সম্ৰাট পঞ্চম জৰ্জে ১৯১১ চনৰ ১২ ডিচেম্বৰ তাৰিখে দিল্লী

দৰবাৰত ভাষণ শেষ কৰাৰ ঠিক পাছ মুহূৰ্তৰ দৃশ্য এইটো — 'So great was the joy and enthusiasm created by the announcement that after the king left - a number of young men, mostly Bengalees, kissed the footsteps from which the announcement had just been made.' (২য় সংস্কৰণ, ১৯১৭, পৃঃ ২২৩) সম্রাটৰ প্ৰত্যক্ষ পদচুম্বন সম্ভৱ নহ'লেও প্ৰত্যক্ষ পদধূলাচুম্বনতে তেওঁলোকে তৃপ্তি পাইছিল। আনন্দ-গুণাভি-লক্ষ্মীনাথ আছিল এনে নীচতাৰ বহু উৰ্ধত।

'চিপাহী বিদ্ৰোহ'ৰ সময়ত আনন্দৰামৰ ভূমিকাকলৈও প্ৰশ্ন উঠিছে। (তেওঁ যে ছহিদ হোৱাৰ সুযোগ পায়ো ছহিদ নহ'ল!) বিদ্ৰোহৰ সময়ত নগাঁৱত মৰ্টন নামৰ এজন অলপ ধতুৰা চাহাবে মিছা আৰু দিজু নৈৰ ওপৰত থকা দলং দুখন ভাঙি দিলে যাতে বিদ্ৰোহীসকল সেই পথেদি আহিব নোৱাৰে। গুণাভিৰামে লিখিছে, 'নানা দেশৰ উৎপাতৰ বাৰ্তা সময়ে শুনি ফুকন বৰ দুখিত আৰু চিন্তিত হ'ল। তেওঁ চাহাবসকললৈ লিখিলে যে অসমীয়া মানুহৰপৰা গৱৰ্ণমেন্টৰ প্ৰতি কোনো প্ৰকাৰ বিদ্ৰোহিতা হ'ব নোৱাৰে। কিন্তু তেওঁৰ কথা কোনেও গ্ৰাহ্য নকৰিলে।

যি কোনো দায়িত্বশীল চৰকাৰ-বিষয়াৰ সেইটোৱেই হ'ব স্বাভাৱিক প্ৰতিক্ৰিয়া নানা দেশৰ বাৰ্তা বোলোঁতে ৰাজধানী কলিকতা চহৰৰ বাৰ্তা নিশ্চয়কৈ আনন্দৰামে পাইছিল। তেওঁ জানো মিছা কথা লিখিছিল? ক্ষুদ্ৰ এলেকাতে সীমাবদ্ধ তল সুঁতীয়া ষড়যন্ত্ৰ এটা চৰকাৰে ৰিপুৱা মেলি কাবু কৰিলে। মণিৰাম দেৱান আৰু পিয়ালী বৰুৱা — এই দুজন মূৰজিলিকা লোকক হুৰামূৰাকৈ বিচাৰৰ প্ৰহসন কৰি মৃত্যুদণ্ড দিলে। অসমত বিদ্ৰোহৰ নামত এজাঁই গুলীও নুফুটিল। বিদ্ৰোহৰ বিস্তাৰো নহ'ল। তেওঁৰ কথা কোনেও গ্ৰাহ্য নকৰাৰ দুটা কাৰণ হ'ব পাৰে — (১) ঢেকিয়াল ফুকন অসমীয়া মানুহৰ ৰাজ-আনুগত্য সম্পৰ্কে যিমান নিশ্চিন্ত আছিল ওপৰৱালাসকল সিমান নিশ্চিন্ত নাছিল আৰু (২) ইতিপূৰ্বে ঢেকিয়াল ফুকনে চৰকাৰী নীতি মুকলিভাৱে সমালোচনা কৰিছে। এতিয়া চৰকাৰীবিৰোধী আন্দোলনৰ প্ৰতি তেওঁৰ বা মনৰ ভাবগতি কেনে?

বিদ্ৰোহৰ সময়ত কলিকতাৰ সমাজপতি আৰু বুদ্ধিজীৱীসকলৰ ভূমিকা কেনে আছিল সেইটো চাবলগীয়া কথা। আমি অতি সংক্ষেপে দুটামান কথাৰ উল্লেখ কৰিম। বিদ্ৰোহ আৰম্ভ হোৱাৰ লগে লগে ১৮৫৭ চনৰ ২৫ মে' তাৰিখে কলিকতাৰ সম্ভ্ৰান্তলোকসকলে হিন্দু মেট্ৰ'পলিটান কলেজত সভা পাতি বিদ্ৰোহী সৈন্যসকলৰ প্ৰতি 'ঘৃণা' প্ৰকাশ কৰে আৰু প্ৰয়োজন হ'লে 'মহাৰাণীৰ এই দেশৰ

সকলো প্ৰজাই প্ৰাণপণে সহায়' কৰিব বুলি ভাৰত চৰকাৰক জনাবলৈ স্থিৰ কৰে।

১৮৫৭ চনৰ ১ জুন তাৰিখৰ *সম্বাদ ভাস্কৰ* পত্ৰিকাৰ সম্পাদকীয়ত লেখা হৈছিল, 'আমাৰ নতুন সেনাপতিয়ে এনেকুৱা আয়োজন কৰিছে যে দিল্লীক একেবাৰে আগুৰি ধৰি বিদ্ৰোহীবিলাকক একেবাৰে মাজত পেলাই ল'ব। তাৰ পাছত সিহঁতৰ মূৰবোৰ ছিঙি দেহাবোৰ শিয়াল কুকুৰক খাবলৈ দিব; শিয়াল কুকুৰ আদি মাংসাহাৰী জন্তু আৰু শগুণ আদি চৰায়ে বহুদিন নৰমাংস খোৱা নাই...।'

২০ জুন তাৰিখে কোৱা হ'ল — 'পাপিষ্ঠ বিলাকৰ পৰাজয় নিশ্চিত, পাঠকসকলে জয় জয় বুলি নৃত্য কৰক, হিন্দু প্ৰজাসকলে দেৱালয়ত পূজা দিয়ক।'

কলিকতীয়া চিৎকাৰৰ তুলনাত ঢেকিয়াল ফুকনৰ প্ৰতিক্ৰিয়া আছিল সহনশীল আৰু সংযমী। ইতিহাসৰ ছাত্ৰ আনন্দৰামে বুজিছিল আপুনি ভাল পাওক বা নাপাওক বিদ্ৰোহ-বিসম্বাদ আৱহমান কালৰপৰা চলি অহা মৰ্ত্যলোকৰে ক্ৰিয়াকাণ্ড। কোনোবা কেতিয়াবা সোঁতৰ পক্ষে, কেতিয়াবা বিপক্ষে।

বংগদেশৰ জাতীয় সংগ্ৰাম প্ৰেৰণাৰ মন্ত্ৰ দিয়া সাহিত্য-সম্ৰাট বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ উপন্যাস *আনন্দমঠৰ* (১৮৮২) অন্তিম পৰ্বত ইংৰাজ শাসনৰ অপৰিহাৰ্যতাকে স্বীকাৰ কৰি লোৱা হৈছে, — 'ইংৰাজ ৰজা নহ'লে সনাতনধৰ্মৰ পুনৰুদ্ধাৰৰ সম্ভাৱনা নাই।... ...যেতিয়ালৈকে হিন্দুসকল আকৌ জ্ঞানবান, গুণবান আৰু বলবান নহয় তেতিয়ালৈকে ইংৰাজ শাসন অটুট থাকিব। ইংৰাজ শাসনত প্ৰজা সুখী হ'ব আৰু তেওঁলোকে নিশ্চিন্ত মনে নিজধৰ্ম পালন কৰিব পাৰিব।'

ব্ৰিটিছসকলৰ দৃঢ় প্ৰশাসনিক নীতিৰ সুফলো সামাজিক গোষ্ঠীসমূহে লাভ কৰিছিল। প্ৰাক্-ব্ৰিটিছৰ যুগৰ সামাজিক গোষ্ঠীসমূহ যেনে ক্ষত্ৰিয়, যোদ্ধা, কায়স্থ, পুৰোহিত আদি ইংৰাজৰ অধীনত শ্ৰেণীলৈ ৰূপান্তৰিত হৈছিল। কায়স্থ, পুৰোহিত গোষ্ঠীৰ সামাজিক মৰ্যাদা আছিল কিন্তু ক্ষমতা আৰু অৰ্থসম্পদ নাছিল। প্ৰাক-ব্ৰিটিছ যুগৰ অস্থিৰ সমাজব্যৱস্থাত এই গোষ্ঠীসমূহৰ উত্থান-পতনৰ কোনো নিয়ম নাছিল। ভাগ্যং ফলতি সৰ্বত্ৰ, ন বিদ্যা ন চ পৌৰুষম — ই যেন হতাশগ্ৰস্ত পুৰোহিতৰে উক্তি। কিন্তু ব্ৰিটিছ শাসন পুৰণি সামাজিক গোষ্ঠীসমূহে নিষ্ঠা আৰু প্ৰতিভাৰ বাবে প্ৰতিশ্ৰুতি লাভ কৰিলে। যিসকলৰ এবাৰ ভাগ্য মুকলি হ'ল চৰিত্ৰৰ স্খলন নহ'লে সেই সৌভাগ্য বৰ্তি থাকিল। এই প্ৰক্ৰিয়াতে গোষ্ঠীবোৰৰ ৰূপান্তৰ ঘটিল শ্ৰেণীলৈ। নিজৰ প্ৰতিপত্তি আৰু নিৰাপত্তাৰ স্বাৰ্থত সেই শ্ৰেণীবোৰ সিহঁতৰ সৃষ্টিকৰ্তা ইংৰাজৰ প্ৰতি অনুগত হৈ থাকিল বহুদিনলৈ। মহাৰাজা ৰঞ্জিৎ সিংহৰ মৃত্যুৰ পাছত দহ বছৰীয়া (১৮৩৯-১৮৪৯) নৈৰাজ্যৰ মহামাৰীৰপৰা ৰক্ষা কৰা

সকলো প্ৰজাই প্ৰাণপণে সহায়' কৰিব বুলি ভাৰত চৰকাৰক জনাবলৈ স্থিৰ কৰে।

১৮৫৭ চনৰ ১ জুন তাৰিখৰ *সম্বাদ ভাস্কৰ* পত্ৰিকাৰ সম্পাদকীয়ত লেখা হৈছিল, 'আমাৰ নতুন সেনাপতিয়ে এনেকুৱা আয়োজন কৰিছে যে দিল্লীক একেবাৰে আগুৰি ধৰি বিদ্ৰোহীবিলাকক একেবাৰে মাজত পেলাই ল'ব। তাৰ পাছত সিহঁতৰ মূৰবোৰ ছিঙি দেহাবোৰ শিয়াল কুকুৰক খাবলৈ দিব; শিয়াল কুকুৰ আদি মাংসাহাৰী জন্তু আৰু শগুণ আদি চৰায়ে বহুদিন নৰমাংস খোৱা নাই...।'

২০ জুন তাৰিখে কোৱা হ'ল — 'পাপিষ্ঠ বিলাকৰ পৰাজয় নিশ্চিত, পাঠকসকলে জয় জয় বুলি নৃত্য কৰক, হিন্দু প্ৰজাসকলে দেৱালয়ত পূজা দিয়ক।'

কলিকতীয়া চিৎকাৰৰ তুলনাত ঢেকিয়াল ফুকনৰ প্ৰতিক্ৰিয়া আছিল সহনশীল আৰু সংযমী। ইতিহাসৰ ছাত্ৰ আনন্দৰামে বুজিছিল আপুনি ভাল পাওক বা নাপাওক বিদ্ৰোহ-বিসম্বাদ আৱহমান কালৰপৰা চলি অহা মৰ্ত্যলোকৰে ক্ৰিয়াকাণ্ড। কোনোবা কেতিয়াবা সোঁতৰ পক্ষে, কেতিয়াবা বিপক্ষে।

বংগদেশৰ জাতীয় সংগ্ৰাম প্ৰেৰণাৰ মন্ত্ৰ দিয়া সাহিত্য-সম্ৰাট বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ উপন্যাস *আনন্দমঠৰ* (১৮৮২) অন্তিম পৰ্বত ইংৰাজ শাসনৰ অপৰিহাৰ্যতাকে স্বীকাৰ কৰি লোৱা হৈছে, — 'ইংৰাজ ৰজা নহ'লে সনাতনধৰ্মৰ পুনৰুদ্ধাৰৰ সম্ভাৱনা নাই।... ...যেতিয়ালৈকে হিন্দুসকল আকৌ জ্ঞানবান, গুণবান আৰু বলবান নহয় তেতিয়ালৈকে ইংৰাজ শাসন অটুট থাকিব। ইংৰাজ শাসনত প্ৰজা সুখী হ'ব আৰু তেওঁলোকে নিশ্চিন্ত মনে নিজধৰ্ম পালন কৰিব পাৰিব।'

ব্ৰিটিছসকলৰ দৃঢ় প্ৰশাসনিক নীতিৰ সুফলো সামাজিক গোষ্ঠীসমূহে লাভ কৰিছিল। প্ৰাক্-ব্ৰিটিছৰ যুগৰ সামাজিক গোষ্ঠীসমূহ যেনে ক্ষত্ৰিয়, যোদ্ধা, কায়স্থ, পুৰোহিত আদি ইংৰাজৰ অধীনত শ্ৰেণীলৈ ৰূপান্তৰিত হৈছিল। কায়স্থ, পুৰোহিত গোষ্ঠীৰ সামাজিক মৰ্যাদা আছিল কিন্তু ক্ষমতা আৰু অৰ্থসম্পদ নাছিল। প্ৰাক-ব্ৰিটিছ যুগৰ অস্থিৰ সমাজব্যৱস্থাত এই গোষ্ঠীসমূহৰ উত্থান-পতনৰ কোনো নিয়ম নাছিল। ভাগ্যং ফলতি সৰ্বত্ৰ, ন বিদ্যা ন চ পৌৰুষম — ই যেন হতাশগ্ৰস্ত পুৰোহিতৰে উক্তি। কিন্তু ব্ৰিটিছ শাসন পুৰণি সামাজিক গোষ্ঠীসমূহে নিষ্ঠা আৰু প্ৰতিভাৰ বাবে প্ৰতিশ্ৰুতি লাভ কৰিলে। যিসকলৰ এবাৰ ভাগ্য মুকলি হ'ল চৰিত্ৰৰ স্খলন নহ'লে সেই সৌভাগ্য বৰ্তি থাকিল। এই প্ৰক্ৰিয়াতে গোষ্ঠীবোৰৰ ৰূপান্তৰ ঘটিল শ্ৰেণীলৈ। নিজৰ প্ৰতিপত্তি আৰু নিৰাপত্তাৰ স্বাৰ্থত সেই শ্ৰেণীবোৰ সিহঁতৰ সৃষ্টিকৰ্তা ইংৰাজৰ প্ৰতি অনুগত হৈ থাকিল বহুদিনলৈ। মহাৰাজা ৰঞ্জিৎ সিংহৰ মৃত্যুৰ পাছত দহ বছৰীয়া (১৮৩৯-১৮৪৯) নৈৰাজ্যৰ মহামাৰীৰপৰা ৰক্ষা কৰা

বুলি শিখসকল ব্ৰিটিছৰ প্ৰতি অনুগত হৈ আছিল ১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত।

শ্ৰেণী-চশমাৰে ঢেকিয়াল ফুকনক তৰ্কিব নোৱাৰি। সামাজিক আৰু আৰ্থিক সূত্ৰেৰে তেওঁক বহুৱাব পৰা শ্ৰেণী এটা তেতিয়ালৈকে অসমত ওলোৱা নাছিল। এটা ভৱিষ্যৎ শ্ৰেণীৰ তেওঁ অগ্ৰিম উপাদান মাত্ৰ। গতিকে, শ্ৰেণীস্বাৰ্থই ঢেকিয়াল ফুকনৰ ধ্যান-ধাৰণাক প্ৰভাৱিত অথবা আড়ষ্ট কৰাৰ প্ৰশ্ন নুঠে।

৬

আনন্দৰামৰ পশ্চিমমুখিতা, ইংলেণ্ডৰ শিক্ষা-শিল্প-কৃষি আৰু সামাজিক অনুষ্ঠানৰ সকলো লাগতিয়াল ধাৰণা আত্মসাৎ কৰা, সি সম্ভৱ নহ'লে যিখিনি পৰা যায় অনুসৰণ কৰাৰ হাবিয়াস উনবিংশ শতিকাৰ আন এছিয়াটিক সমাজৰ অভিজ্ঞতাৰ পোহৰতো বিচাৰ কৰি চাব পাৰি। ভাৰতৰ দৰেই পশ্চিমীয়া সমাজৰ সৈতে মিলতকৈ অমিল বেছি থকা জাপান আৰু চীনৰ কথাই ধৰা যাওক। পশ্চিমক অনুসৰণ কৰাত জাপানৰ আগ্ৰহ আছিল বেছি, চীনৰ আগ্ৰহ প্ৰায় নাছিলেই। জাপানে স্বেচ্ছাই নিজৰ দেশৰ বজাৰ আমেৰিকা আৰু ইউৰোপৰ বাবে মুকলি কৰি দিছিল। প্ৰথম আফিং যুদ্ধৰ (১৮৩৯-১৮৪২) পাছত চীনেও আংশিকভাৱে দুৱাৰ মুকলি কৰিবলগা হৈছিল।

জাপানত পশ্চিমক অনুসৰণ কৰাৰ প্ৰভাৱশালী প্ৰবক্তা আছিল ফুকুজাৱা য়ুকিচি (১৮৩৫-১৯০১)। জাপানৰ মেইজি চৰকাৰৰ বাহিৰৰ মানুহ আছিল তেওঁ। তেওঁ ১৮৬৯ চনত প্ৰকাশ কৰা *Conditions in the West* নামৰ কিতাপখনত আছিল কেৱল প্ৰতীচ্যৰ প্ৰশংসা আৰু ব্ৰিটেনৰ সংসদীয় গণতন্ত্ৰৰ প্ৰশংসা। কিতাপখনৰ প্ৰথম সংস্কৰণটোৰ কপি বিক্ৰী হৈছিল ডেৰ লাখ। শিক্ষাক জনপ্ৰিয় কৰিবলৈ আৰু শিক্ষা-ব্যৱস্থাত পশ্চিমীয়া আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনাই তেওঁ লিখা *The Encouragement of Learning* গ্ৰন্থখনৰ কপি বিক্ৰী হৈছিল সাত লাখ। ছেমুৱেল স্মাইলছৰ *Self-Help* ৰপৰা জন ষ্টুৱাৰ্ট মিলৰ On Liberty আদি বহু কিতাপ জাপানী ভাষালৈ অনুদিত হৈছিল সেই সময়তে। কঠোৰ পৰীক্ষাৰ মাজেৰে চীনত পশ্চিমীয়া শিক্ষা-পদ্ধতিৰ প্ৰচলনত আগভাগ লৈছিল খ্ৰীষ্টান মিছনেৰীসকলে। চীনৰ সামন্তবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধী জাতীয়তাবাদী আৰু প্ৰজাতন্ত্ৰবাদী শীৰ্ষস্থানীয় জাতীয় নেতা ছান ইয়াৎ চেন (১৮৬৬-১৯২৫) খ্ৰীষ্টান মিছনেৰীসকলৰে সৃষ্টি। (তেওঁ খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিছিল)।

দ্বিতীয় বিশ্বযুদ্ধত বিধ্বস্ত হোৱা জাপানৰ পুনৰুত্থানৰ অন্তৰালত আছে যোৱা শতিকাৰ দ্বিতীয় ভাগত তেওঁলোকে গঢ়ি লোৱা শিক্ষা-সংস্কৃতিৰ দৃঢ় আধাৰটো।

আনহাতে প্ৰধানকৈ ইংৰাজসকলে গঢ়ি তোলা ছাংহাই, কেন্টন, নানকিং আদি চহৰবোৰ বা তাৰ আশে-পাশে আধুনিকীকৰণৰ তুলনাত চীনদেশৰ বিশাল অংশ পাছ পৰি ৰৈছিল। গোটেই দেশৰ আধুনিকীকৰণ চীনৰ বৃহত্তম সমস্যা। চীনদেশৰ শাসক কমিউনিষ্ট পাৰ্টিৰ ত্ৰয়োদশ পাৰ্টি কংগ্ৰেছত কোৱা হৈছিল যে '১৯৫০ চনৰ পৰা কমেও ১০০ বছৰৰ' ভিতৰত সমাজবাদী আধুনিকীকৰণৰ কাম সম্পন্ন হ'ব। 'It will be at least 100 years from the 1950s, when the socialist transformation of private ownership of the means of production was basically completed, to the time when socialist modernization will have been in the main accomplished, and all these years belong to the primary stage of socialism.' (*The 13th Party Congress & China's Reforms, Beijing Review,* 1987 p.24) প্ৰথম এশ বছৰত প্ৰাথমিক পৰ্যায়ৰ সমাজবাদ। তাৰ পাছত আহিব আচল সমাজবাদ!

ফৰাচী উপনিৱেশ ভিয়েটনামত ফ্ৰান্সৰ হোঁহকা-পিছলা নীতিৰ বাবে তাত আধুনিক শিক্ষাৰ প্ৰসাৰেই নহ'ল। তাত আধুনিক শিক্ষাৰ যাত্ৰা আৰম্ভ হ'ল কুৰি শতিকাৰ দ্বিতীয় দশকত।

ঊনবিংশ শতিকাৰ শেষভাগতহে ব্ৰহ্মদেশ (ম্যানমাৰ) সম্পূৰ্ণভাৱে ইংৰাজৰ অধীন হৈছিল। আধুনিক শিক্ষাৰ প্ৰতি স্থানীয় মানুহৰ অনাগ্ৰহৰ বাবে দেশখন আজিও সকলোফালে পাছ পৰি আছে। বৰ্তমানৰ গণতন্ত্ৰবাদী নেত্ৰী অং ছান চ্যু কী অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ গ্ৰেজুৱেট।

উল্লিখিত ঔপনিৱেশিক সমাজবোৰৰ অভিজ্ঞতাৰপৰা এই কথা ক'ব পাৰি যে ঢেকিয়াল ফুকনে অসমীয়া মানুহৰ মাজত ইংলেণ্ডৰ প্ৰেৰণাৰে শিক্ষাৰ প্ৰসাৰ ঘটাবলৈ চেষ্টা কৰি কোনো মহাপাতকীৰ কাম কৰা নাছিল। তেনে সপ্ৰশংস সহযোগিতাৰ পথেদিয়েই ওপৰত উল্লেখ কৰা সুৰেন্দ্ৰনাথ বেনাৰ্জী জাতীয়তাবাদী সংগ্ৰামৰ নায়ক হৈছিল, ঢেকিয়াল ফুকনৰ ভতিজা পুত্ৰ তৰুণৰাম ফুকনে অসমত জাতীয় কংগ্ৰেছ আৰু অসহযোগ আন্দোলনৰ গুৰি ধৰিছিল। সেই পথেদি ৰাজা ৰামমোহন ৰায় 'আধুনিক ভাৰতৰ পিতৃপুৰুষ' হৈ আছে। সহযোগিতাৰ পথ অতিক্ৰম কৰিয়েই মোহনদাস কৰমচাঁদ গান্ধী 'জাতিৰ পিতা' হৈছিল। আনহাতে ঢেকিয়াল ফুকনৰ চিন্তাৰ বিপৰীত মেৰুয়েদি ভাৰতত উদ্ভৱ হৈছিল পুনৰুত্থানবাদ বা revivalism। সি যে দুৰ্বাসাৰ অভিশাপ এই কথা কোনে নাজানে?

ঢেকিয়াল ফুকনৰ বিষয়ে আলোচনা কৰোঁতে আমি সদায় মনত ৰাখোঁ তেওঁৰ

উনত্ৰিশ বছৰীয়া আধাডুখৰীয়া জীৱনটো। কলিকতাত ছপাশাল বহুৱাই তেওঁ হয়তো জীৱনৰ প্ৰস্তুতিপৰ্বহে সম্পূৰ্ণ কৰিছিল। তেওঁ ৰাজহুৱা স্বাৰ্থৰ হৈ মাত মাতিছিল ২৪ বছৰ বয়সত, সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে প্ৰায় ত্ৰিশ বছৰ বয়সত, দাদাভাই নৌৰাজীয়ে ৪২ বছৰ, এম জি ৰানাডেই ৪৫, বদৰুদ্দিন তৈয়বজীয়ে ৪৩, উমেশচন্দ্ৰ বেনাৰ্জী আৰু ফিৰোজছাহ মেহতাই ৪১ আৰু 'উৎকল গৌৰৱ' মধুসূদন দাসে ৫৫ বছৰত ৰাজা ৰামমোহন ৰায়ে তেওঁৰ ৰাজহুৱা জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মেম'ৰিয়েলখন লৰ্ড আমহাৰ্ষ্টক দিয়াৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ। মোৰ কোনো সন্দেহ নাই যে পূৰ্ণ স্বাভাৱিক পৰমায়ু লাভ কৰা হ'লে অসমৰ কমিছনাৰ হেনৰি হপকিন্সনে 'ৰামমোহন ৰায়তকৈও আনন্দৰাম ফুকন ওখ অসাধাৰণ পুৰুষ' বোলা কথাষাৰ জগতৰে সন্মতি লাভ কৰিলেহেঁতেন।

৭

আনন্দৰামৰ বিস্ময়কৰ প্ৰতিভাৰ লগত যোগ হৈছিল তেওঁৰ অসাধাৰণ অধ্যয়ন অনুশীলন। তাৰপৰা তেওঁ লাভ কৰিছিল শানিত অন্তৰ্দৃষ্টি, আত্মবিশ্বাস আৰু দুৰ্জয় কৰ্মশক্তি। অসমীয়া মানুহৰ সমাজ-ব্যৱস্থাৰ যি সনাতন ৰূপ তাৰ বিকাশ অসম্ভৱ বুলি তেওঁ বুজি পাইছিল। গতিকে নতুন পথৰ সন্ধান চলিছিল। তেওঁ ঐতিহ্যৰদ্বাৰা আৱদ্ধ নাছিল। তেওঁ পুৰণি ঐতিহ্যৰপৰা মুক্তি বিচাৰিছিল, তাৰদ্বাৰা নতুন ঐতিহ্যৰ সৃষ্টি কৰিছিল। অসমীয়া মানুহে ইজনে-সিজনলৈ বাংলা ভাষাত চিঠি লিখা পূৰ্বৰ অভ্যাস ভংগ কৰি ঢেকিয়াল ফুকনে অসমীয়া ভাষাত চিঠি লিখাৰ পৰম্পৰা সৃষ্টি কৰিলে। তেওঁৰ সংগীতৰ প্ৰতি অনুৰাগ আছিল, ঘৰত গীত-বাদ্য চৰ্চাৰ পৰিৱেশো আছিল। আত্মীয় এজনক ভায়োলিন শিকিবলৈ দি ফুকনে সদায় ভায়োলিন শুনিছিল। লক্ষ্মীৰাম বৰুৱা, সত্যনাথ বৰা আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ যুগ আহিবলৈ তেতিয়াও বহুদিন বাকী। সত্যনাথ বৰাই কৈছিল যে অসমীয়া মানুহে গীত মানে বাংলা গীত বুলিয়েই বুজিছিল। কিন্তু ফুকনে 'অলপ সময় পালেই গুণ গুণ কৰে কোনো অসমীয়া গীত বা সংস্কৃত শ্লোক গাইছিল।' তেওঁৰ ঘৰখনৰপৰাই আধুনিক অসমীয়া সংস্কৃতিৰ যাত্ৰাৰম্ভ হৈছিল।

ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাই আনন্দৰামক 'আধুনিক অসমীয়া গদ্যৰ জনক' বুলি কৈছে যথাৰ্থভাৱে। আনন্দৰামৰ গদ্য আছিল জ্ঞানজ্ঞাপনৰ আহিলা, সেয়ে তেওঁ সৰ্বকল্যাণমুখী আৰু সৰ্বজনবোধ্য গদ্য সৃষ্টি কৰি লৈছিল। তেওঁ লিখিছিল বাইবেলৰ ভাষাৰ ষ্টাইলত। বিষয়ভেদে ভাষাৰ ভেদ চকুত নপৰে। জতুৱা ঠাঁচ আৰু সমাসবদ্ধ

পদৰ কম ব্যৱহাৰ তেওঁৰ আন বৈশিষ্ট্য। তেওঁৰ প্ৰায় সকলো ৰচনাৰ উদ্দেশ্য আছিল জ্ঞানৰদ্বাৰা মানুহৰ মন আৰু পৰিৱেশ সলনি কৰা। যদিও তেওঁ ভবা-কানীয়াৰ পাণোৱাইতন্ত্ৰ ভেদ কৰিব নোৱাৰিলে তথাপি তেওঁৰ ৰচনাসমূহৰ এটা শুভ প্ৰভাৱ আজিলৈকে ৰৈ আছে।

শালীন ব্যক্তিত্ব আৰু স্বতন্ত্ৰ চিন্তাৰ মানুহ হিচাপেও আমি আনন্দৰামক স্মৰণ কৰোঁ। তেওঁ ইংৰাজী শিকিছিল অক্সফ'ৰ্ডৰ গ্ৰেজুৱেট ৰেভাৰেণ্ড আৰ ব্লাণ্ডৰ ওচৰত অথচ ব্লাণ্ডৰ ধৰ্মৰ প্ৰতি তেওঁ আছিল সম্পূৰ্ণ উদাসীন। বংগৰ নৱজাগৰণৰ বহু নেতা সংস্কৃত ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল নাছিল। কিন্তু ঢেকিয়াল ফুকনৰ দৃষ্টিত সংস্কৃত 'মহাবিদ্যা' গতিকে তেওঁ ইয়াৰ জোৰদাৰ অনুশীলন বিচাৰিছিল। নাৰী শিক্ষাৰ প্ৰতি উৎসাহ, স্ত্ৰী স্বাধীনতাৰ প্ৰতি সমৰ্থন তেওঁৰ ওখ চিন্তাৰ প্ৰেৰণাময় দৃষ্টান্ত। সামাজিক ন্যায়ৰ প্ৰতি সদা-সচেতন ঢেকিয়াল ফুকনে ১৮৪৩ চনত পৃথিৱীজুৰি দাসপ্ৰথা ৰহিত হোৱাত ৰং পাইছিল। আফ্ৰিকা আৰু আমেৰিকাত তেতিয়াও চলি থকা সেই কুৰীতিক তেওঁ 'দুৰ্মতি' আৰু 'লাজৰ কথা' বুলি কৈছিল।

তেওঁৰ বিয়োগৰ ডেৰশ বছৰৰ ব্যৱধানত ফুকনৰ সকলো কথা-মত শুদ্ধ হৈ থাকিব নোৱাৰে। তেওঁৰ সকলো কথাৰে সৈতে আমি একমত হোৱাৰো প্ৰয়োজন নাই। কিন্তু তেওঁ চাৰে সোতৰ বছৰ বয়সত লেখা 'ইংলেণ্ডৰ বিৱৰণ' ৰচনাখনৰ অতি পৰিচিত অংশটো যিমানবাৰ পঢ়িছোঁ, তাৰ নতুন নুতন অৰ্থ মনলৈ আহিছে। যেনে অসম দেশৰ লোকসকল 'সভ্য, জ্ঞানী আৰু ধাৰ্মিক কৰিবলৈ' জনোৱা আহ্বান সমাজ সংস্কাৰকৰ আহ্বান। 'সিবিলাকৰ অভাৱ আৰু দুৰৱস্থা জানিবলৈ সিবিলাকক জ্ঞান দিয়া'— ই হ'ল চিন্তাৰ মুক্তি প্ৰাৰ্থনা। 'Freedom is the knowledge of necessity' – কথাষাৰো মনলৈ আহে। 'যি সময়ত অসম হাবি গুচি ফুল বাৰী হ'ব, ...জ্ঞানৰ সভা হব', ফুল বাৰী — ঠিক ফুলনি বাগিচানে? নে ইংলেণ্ড, ফ্ৰান্সৰ উপৰি, ভাৰতৰ লালবাগ, চাহাৰাণপুৰ, খিদিৰপুৰৰ দৰে আনবোৰ উপনিৱেশত গঢ়ি তোলা 'বোটানিক গাৰ্ডেন'বোৰৰ আৰ্হি বা সহায়ত উপযোগী কৃষিবিস্তাৰৰ কথা কৈছে তেওঁ? জ্ঞানৰ সভা? নাগৰিকৰ সামাজিক অনুষ্ঠান, য'ত ব্যক্তিয়ে তেওঁৰ সামাজিক সত্তা উপলব্ধি কৰিব পাৰে, য'ত বিজ্ঞান আৰু যুক্তিমনস্ক মানুহে সত্যানুসন্ধান অব্যাহত ৰাখে, য'ত সৃষ্টিৰ নীৰৱ সাধনা চলে, এনেবোৰ জ্ঞানৰ সভা? অথবা তেওঁ ফ্ৰান্স, ইংলেণ্ডৰ একাডেমি বোলা অনুষ্ঠান, এছিয়াটিক ছচাইটি অৱ বেংগল, ৰয়েল এগ্ৰি-হৰ্টিকালছাৰেল ছচাইটি, নেচাৰেল হিষ্ট্ৰি ছচাইটি আদি অনুষ্ঠানবোৰৰ কথা বুজাব খুজিছিল নেকি? কিয়নো বিদ্বৎ সমাজত তেতিয়া এইবোৰ অনুষ্ঠানৰ বৰ সুখ্যাতি আছিল। 'কেৱে দুটকা

কানিৰ সলনি মিচা সাক্ষি নি দি, লাখ টকাকো কাতি কৰি থ'ব, কোটি টকা ভেঁটি পাইও কাৰো অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৰা'.... নোহোৱা হ'ব,— ই দেখোন সামাজিক বিপ্লৱৰ আহ্বান। পৰৱৰ্তী কালত এই বিষয়ত আংশিক সাফল্য লাভ হৈছিল গান্ধীৰ যুগত। কিন্তু ঢেকিয়াল ফুকনে আশা কৰাৰ দৰে শিক্ষাৰ বিস্তাৰে সততাৰ বিস্তাৰ নকৰিলে। তেওঁৰ স্বপ্ন সম্পূৰ্ণৰূপে সাৰ্থক নহ'ল— সি উত্তৰ পুৰুষৰ দায়। অথচ এই আহ্বানেৰে ঢেকিয়াল ফুকনে দুৰ্নিৰীক্ষ্য ভৱিষ্যৎ জয় কৰি গ'ল। এতিয়াও সৎ উদ্দেশ্য প্ৰণোদিত অসমৰ উন্নতি চিন্তাত আনন্দৰাম ঢেকিয়াল ফুকনৰ চিন্তা লাগতিয়াল হৈ আছে।

পুঁজিবাদৰ সেই বাধাহীন বিকাশৰ যুগত পৃথিৱীৰ সকলো দেশৰ বুৰ্জোৱা শ্ৰেণীৰ মাজত প্ৰতিযোগিতা চলিছিল। প্ৰতিযোগিতাই তেওঁলোকৰ জীৱন দৰ্শনক ৰূপ দিছিল। এই জীৱন দৰ্শনৰ দুটা উপাদান হ'ল সময়-সচেতনতা আৰু কাম। ঐতিহাসিকভাৱে কাম নকৰা মানুহ হ'ল অভিজাত শ্ৰেণীটো— 'The badge of gentry is idleness' নতুন সিদ্ধান্ত হ'ল কাম নকৰা আৰু দুটা শ্ৰেণীৰ মানুহ আছে— ঔপনিৱেশিক দেশবোৰৰ মানুহ আৰু চোৰ, ভিক্ষাৰী আৰু ভবঘূৰেবিলাক। এইলৈ বহুতো আলোচনা হৈছে।

কাৰো প্ৰৰোচনাত নহয়, বাস্তৱৰ প্ৰয়োজনত চলিছিল কামৰ বন্দনা। কামৰ বন্দনা কৰিছিল টমাছ কাৰ্লাইল, ফ্ৰেডৰিখ নীৎছে আৰু ছিগমাণ্ড ফ্ৰয়েডেও। ফ্ৰান্সৰ দাৰ্শনিক দেনি দিদ্ৰোয়ে কৈছিল— কামৰ মাজেদি মানুহে লাভ কৰিব পাৰে স্বাস্থ্য, জীৱিকা, মানসিক শান্তি, সজ চিন্তা আৰু লগতে চৰিত্ৰ গুণ। ঢেকিয়াল ফুকনে কি কৈছিল চাওক—

ক) কাল কালৈকো বাট চাই নাথাকে। ....সময় যদি এবেলি গ'ল সি আকৌ উভতি নাহে। এক তিলাৰ্দ্ধ সময়ো সোণৰ ভঁৰাল উবুৰিয়াই দিও কিনিব নোৱাৰি।

খ) কোনো পাৰ্গত মানুহক যদি সোধা, ...জানিবা যে তেওঁৰ জীৱন প্ৰায় শ্ৰমতে গৈছে।

কামেই আছিল ঢেকিয়াল ফুকনৰ জীৱনৰ আশ্ৰয়। আমাৰ ধাৰণা, অতিৰিক্ত শাৰীৰিক শ্ৰমেই তেওঁৰ বাবে কাল হ'ল। (এজন শ্ৰোতাৰ প্ৰশ্নৰ উত্তৰত ক'ব লগা হৈছিল— ঢেকিয়াল ফুকনৰ লগত এতিয়ালৈকে তুলনা কৰিব পৰা, আমাৰ মাজত নথকা, আধুনিক অসমৰ মাত্ৰ ছগৰাকী কৰ্মযোগী অসমীয়া মই বিচাৰি পাইছোঁ— হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, সূৰ্য্যকুমাৰ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ আৰু ভবেন্দ্ৰনাথ শইকীয়া।)

(তৃতীয় আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা, ২৪ ছেপ্টেম্বৰ, ২০০৪)।